**Prof. Jagdish Mukhi**
*Governor of Assam*

Raj Bhavan, Guwahati
PIN-781 001

सत्यमेव जयते

২৬ জানুৱাৰী, ২০২০

## <u>শুভেচ্ছাবাণী</u>

৭১ তম্ গণৰাজ্য দিৱস উপলক্ষে অসমৰ ৰাইজলৈ মই আন্তৰিক ওলগ আৰু শুভেচ্ছা জনাইছোঁ। ২৬ জানুৱাৰীৰ দিনটো ভাৰতৰ ইতিহাসত এক অন্যতম উল্লেখযোগ্য দিন, কিয়নো এই দিনটোতে ভাৰতৰ সংবিধান বলৱৎ হৈছিল আৰু প্ৰকৃতাৰ্থত ভাৰতবৰ্ষই এখন সাৰ্বভৌম আৰু গণতান্ত্ৰিক দেশ হিচাপে পৰিগণিত হৈছিল। আমাৰ দেশৰ স্বাধীনতাৰ হকে বহুতো মুক্তিযুঁজাৰুৱে জীৱন উৎসৰ্গা কৰিছিল। আমি সেই মহান শ্বহীদসকলক সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ। আমাৰ সংবিধান প্ৰণেতা তথা আমাৰ দেশৰ ভাগ্যনিয়ন্তা মহান নেতাসকলৰ প্ৰতিও আমি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

এই পৱিত্ৰ উপলক্ষত সমাজৰ অনগ্ৰসৰ শ্ৰেণীৰ লোকসকলৰ মৰ্য্যাদা সুনিশ্চিত কৰিবলৈ আৰু দুৰ্নীতিমুক্ত এখন সমাজ গঢ়ি জাতিৰ পিতা মহাত্মা গান্ধীৰ আদৰ্শেৰে নৈতিকতাৰ উচ্চ শিখৰৰ এখন ৰাষ্ট্ৰ নিৰ্মাণ কৰিবলৈ আহক আমি সংকল্পবদ্ধ হওঁ।

আজিৰ এই ঐতিহাসিক দিনটোত সমূহ নাগৰিকলৈ মোৰ শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

জয় হিন্দ

জগদীশ মুখী

**( অধ্যাপক জগদীশ মুখী )**
**ৰাজ্যপাল, অসম**

**Tel : (0361) 2540500 (O) ; Fax : (0361) 2731832; Email : rajbhavan-assam@gov.in**